# আমাৰ কৃষি, আমাৰ কৃষক, আমাৰ গৌৰৱ...

## মহম্মদ আব্দুল খালেক

নগাওঁ জিলাৰ ৰাইদঙীয়া ফুলগুৰি গাওঁৰ কৃষক মহম্মদ আব্দুল খালেকৰ জীৱনৰ উত্থান-পতন যেন এখন সুন্দৰ উপন্যাসৰ পটভূমি। বছৰ পাছত বছৰ ধৰি নিজৰ পথাৰত তেজক পানী কৰিও আশানুৰূপ উৎপাদন নোপোৱা আব্দুল খালেকৰ মন এটা সময়ত আৱৰি ধৰিছিল হতাশগ্ৰস্ততাই। চমু কথাত ক'বলৈ হ'লে খালেকে খেতি পথাৰখনক এটা সময়ত শত্ৰু জ্ঞানেই কৰিবলৈ লৈছিল। কিন্তু ভাগ্যৰ চকৰি ঘূৰাৰ দৰে খালেকৰ এই বিষাদগ্ৰস্ততাৰ কথা অনুধাৱন কৰি কৃষি উন্নয়ন বিষয়াগৰাকীৰ পৰামৰ্শক্ৰমে খালেক এদিন উপস্থিত হয় স্থানীয় কৃষি বিজ্ঞান কেন্দ্ৰৰ এক প্ৰশিক্ষণ শিবিৰত। এই প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ মূহুৰ্ত্ততো খালেকৰ মনত কোনো আশাৰ কথাই ক্ৰিয়া কৰাতকৈ অধিক ক্ৰিয়া কৰিছিল প্ৰশিক্ষণনো কি বস্তু সেই বিষয়ে জনাৰ কথাই। আৰু আচৰিতধৰণে, বৰঞ্চ ক'বলৈ হ'লে অভিশ্বাস্যভাৱে প্ৰশিক্ষণত আগবঢ়োৱা পৰামৰ্শসমূহেই খালেকৰ মন আধুনিক কৃষি কৌশলৰ প্ৰতি আকৃষ্ট কৰি তোলে। কৃষি বিষয়া আৰু বিজ্ঞানীসকলে তেওঁৰ আগ্ৰহ দেখি ব্যক্তিগতভাৱে তেওঁক আধুনিক কৃষিৰ প্ৰতি উৎসাহিত কৰি তোলে আৰু ইয়াৰ ফলশ্ৰুতিত খালেকে সফলতাৰ পথত ক্ৰমশঃ আৰোহন কৰিবলৈ ধৰে।

খালেকে আৰম্ভ কৰিবলৈ লয় বিজ্ঞানসন্মতভাৱে বতৰ অনুসৰি কৰা খেতি। ভাল বীজ ব্যৱহাৰৰ প্ৰতি খালেক অধিক সচেষ্ট হৈ পৰে। তেওঁ গুৰুত্ব দিবলৈ ধৰে ভাল জাতৰ বৰ্ণসংকৰ বীজৰ ব্যৱহাৰত। খালেকে মাটি পৰীক্ষা কৰি মাটিৰ স্বাস্থ্য ৰক্ষাত সৰ্বাধিক গুৰুত্ব দিহে বীজ সিঁচিবলৈ লয়।

সঠিকভাৱে জলসিঞ্চনৰ ব্যৱহাৰ, কৃষি বনুৱাৰ উপযুক্ত ব্যৱহাৰ আৰু স্থানীয় বজাৰৰ চাহিদাৰ ওপৰত গুৰুত্ব দি এটা সময়ৰ হতাশগ্ৰস্ত খালেক এতিয়া বৃহত্তৰ অঞ্চলটোৰ এজন আদৰ্শ কৃষক।

বিজ্ঞানসন্মত প্ৰশিক্ষণ প্ৰদৰ্শনমূলক খেতিত সঠিকভাৱে ব্যৱহাৰ কৰা দক্ষতা, কঠোৰ পৰিশ্ৰমতো হাঁহিমুখে গ্ৰহণ কৰিব পৰা মানসিকতা, কৃষক আৰু কৃষি বনুৱাৰ দলবদ্ধ প্ৰচেষ্টাক সঠিক ৰূপত আগবঢ়াই নিব পৰাৰ দক্ষতা, জলসিঞ্চন ব্যৱস্থাৰ উচিত প্ৰয়োগ আৰু বজাৰভিত্তিক খেতিৰে অৰ্থনৈতিক সফলতাৰ পথ বাচি ল'ব পৰা গুণৰ বাবে আব্দুল খালেকক কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ে দেশৰ ১০১ জন কৃষকৰ মাজত স্থান দি আমাৰ সকলোকে আজি গৌৰৱান্বিত কৰি তুলিছে।

খালেকলৈ আমাৰ অভিনন্দন !



কৃষি মন্ত্ৰী শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মাই মঃ আব্দুল খালেকক অভিনন্দন জনাইছে।